**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানী সংযোগ বিষয়ক সমস্ত বিষয়সমূহ পৰীক্ষা কৰাৰ বাবে গঠন কৰা বিশেষ তদন্ত গোট চমুকৈ এছ আই টিয়ে কালি সন্ধিয়া ৬ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। তাৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ২০২৫ চনৰ ১৭ ফেব্ৰুৱাৰীত অসম কেবিনেটে এজন পাকিস্তানী নাগৰিক আলী টৌকিৰ শ্বেখ আৰু তেওঁৰ সহযোগীসকলৰ ভাৰত বিৰোধী কাৰ্যকলাপৰ বাবে বিশেষ তদন্ত গোট গঠন কৰিছিল বুলি প্ৰকাশ কৰে। তদন্তত উন্মোচন হোৱা তথ্য অনুসৰি আমাৰ জাতিৰ সাৰ্বভৌমত্বক ক্ষতিগ্ৰস্ত কৰাৰ বাবে এক বৃহৎ ষড়যন্ত্ৰ পোহৰলৈ আহিছে। তেওঁ আৰু উল্লেখ কৰে যে আলী টৌকিৰ শ্বেখৰ কাৰ্যকলাপৰ সৈতে এগৰাকী বৃটিছ নাগৰিক জড়িত হোৱাৰ কথা স্পষ্ট হৈছে আৰু যিগৰাকীয়ে এগৰাকী ভাৰতীয় সাংসদৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছে। তদন্তত পাকিস্তান চৰকাৰৰ গৃহ মন্ত্ৰালয়ে এজন ভাৰতীয় সাংসদক পাকিস্তান ভ্ৰমণৰ বাবে কেনেদৰে সুবিধা কৰি দিছিলে সেই কথাও স্পষ্ট হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসম চৰকাৰে বিশেষ তদন্ত গোটৰ প্ৰতিবেদন বিশেষভাৱে পৰীক্ষা কৰি ৰাজ্যিক কেবিনেটৰ সন্মুখত দাখিল কৰাৰ পাছতে কেবিনেটত বিষয়টো সন্দৰ্ভত আলোচনা কৰা হ'ব আৰু তথ্যসমূহ ৰাজহুৱা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooo

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ আগমণৰ পূৰ্বে কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষ তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্য্যালোচনা বৈঠকত মিলিত হয়। ড° শৰ্মাই নুমলীগড়ৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰিবলগীয়া প্ৰকল্পসমূহৰ বিষয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক সন্মান জনাই নুমলীগড় আৰু মণিপুৰৰ মোৰে সংযোগী ৩৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড় শোধনাগাৰক সংযোগ কৰা ২ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা প্ৰধানমন্ত্ৰী নিম আলিবাট হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ছশ নিম পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত আৰম্ভ কৰা এই পদক্ষেপৰ অংশ হিচাপে কালি মুখ্যমন্ত্ৰী ড° শৰ্মাই এটা নিম পুলি ৰোপণ কৰে।

প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

শ্ৰীমোদীয়ে ১৩ ছেপ্তেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে গুৱাহাটীত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ

১৪ টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থ উন্মোচন কৰা হ'ব।

000000

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হেজাৰ ৫৫০ টা পদৰ প্ৰথমখন অস্থায়ী যোগ্যতাৰ তালিকা কালি নিশা প্ৰকাশ কৰে। সঞ্চালকালয়ে dee.assam.gov.in ৱেবছাইটৰ জৰিয়তে এই তালিকা প্ৰকাশ কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা অনুসৰি যাৱতীয় প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত বাছনি লাভ কৰা প্ৰাৰ্থীসকলক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণা মৰ্মে ১০ অক্টোবৰত নিযুক্তি প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে এই প্ৰাৰ্থীৰ তালিকা প্ৰকাশৰ ক্ষেত্ৰত পূৰ্বে উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰিছিল যদিও কালি নায়ালয়ে এই স্থগিতাদেশ প্ৰত্যাহাৰ কৰে।

000000

শিৱসাগৰৰ যোগান বিভাগত কালি তদাৰকী আৰু দুৰ্নীতি নিবাৰণী শাখাই অভিযান চলাই উৎকোচ লোৱা অৱস্থাত বিভাগৰ অধীক্ষক নাগুইব খানক কৰায়ত্ত কৰে। দুৰ্নীতি নিবাৰণী শাখাৰ ১২ জনীয়া এটা দলে বিষয়াগৰাকীক উৎকোচ লোৱা অৱস্থাত হাতে-লোটে ধৰা পেলায়। এই সন্দৰ্ভত বিষয়াগৰাকীক নিশা ৮ বজালৈকে তেওঁৰ কাৰ্যালয়তে আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছিল। মুখ্যমন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰণী শাখাই আটক কৰা বিষয়াগৰাকীৰ নগাঁৱৰ বাসগৃহতো আৰক্ষীৰ তালাচী অভিযান চলায়।

000000

লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত কালি মৃত্যুঞ্জয়-১০৮ সেৱা কৰ্মচাৰীৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। তেওঁলোকে জিলাখনৰ জনসাধাৰণক এই সেৱা সন্দৰ্ভত সজাগ কৰাৰ বাবে সভাখনৰ আয়োজন কৰে। সম্প্ৰতি জিলাখনত ২৭ খন মৃত্যুঞ্জয় বাহনে ২৪ ঘণ্টাই জনসাধাৰণক সেৱা প্ৰদান কৰি আছে।

000000

চৰাইদেউ জিলাৰ লাকুৱা টাণ্টিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী, কবি দিপ্তী সন্দিকৈ ৰাজকোঁৱৰৰ কালি বিয়লি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯ বছৰ। ১৯৫৬ চনত যোৰহাট জিলাৰ মেলেং চাহ বাগিচাত জন্মগ্ৰহণ কৰা প্ৰয়াত সন্দিকৈ লাকুৱা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী, শিৱসাগৰ জিলা সাহিত্য সভাৰ কুঁহি, ৰামধেনুৰ লগতে কেইবাটাও অনুষ্ঠানৰ সৈতে সক্ৰিয়ভাৱে জড়িত আছিল। ঐতিহ্যৰ সোঁৱৰণ শীৰ্ষক স্ব-ৰচিত কবিতাপুথিৰ স্ৰষ্টা প্ৰয়াত সন্দিকৈ আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ অংশকালীন বাৰ্তা সম্পাদক পূজা ৰাজকুমাৰীৰ মাতৃ।

000000

সমাপ্ত